**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 11-02-2026** **Time : 1205 Hrs**

***Assamese Midday Bulletin***

**----------------------------**

***Headlines***

১। ——ৰাজ্যত উচ্ছেদ অভিযানৰ জৰিয়তে ১ লাখ ২৫ হাজাৰ ৩২৬ বিঘা ভূমি দখলমুক্ত কৰা হৈছে বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

২। এইবাৰৰ কেন্দ্ৰীয় বাজেটত অসমসহ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ বাবে অভিলেখ পৰিমাণৰ ধন আবণ্টন দিয়া বুলি কেন্দ্ৰীয় গ্ৰমোন্নয়ন মন্ত্ৰী শিবৰাজ চৌহানৰ মন্তব্য।

৩। আজিৰে পৰা উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষা। মুঠ ৩ লাখ ৩০ হাজাৰ ৭৪৪ গৰাকী পৰিক্ষাৰ্থী অৱতীৰ্ণ।

**আৰু**

৪। অসম চৰকাৰৰ বিভিন্ন বিভাগৰ পদৰ বাবে আজি এহেজাৰ ৬৯৪ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদানৰ অনুষ্ঠান।

০০০০০০০

———মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ৰাজ্যৰ বনভূমিত চলোৱা উচ্ছেদ সম্পৰ্কে এখন সংবাদমেল সম্বোধন কৰে। ৰাজ্যৰ বিভিন্ন বনাঞ্চলত উচ্ছেদ চলাই ১লাখ ২৫ হাজাৰ ৩২৬ বিঘা মাটি দখলমুক্ত কৰা হয় বুলি তেওঁ উল্লেখ কৰে। বনভূমিত চলোৱা উচ্ছেদ সম্পৰ্কে উচ্চতম ন্যায়লয়ত গোচৰ তৰা ৩০০গৰাকী আবেদনকাৰীৰ ভূমিত সৰ্বোচ্চ ন্যায়ালয়ে ৰাজ্য চৰকাৰক উচ্ছেদ নচলাবলৈ নিৰ্দেশ দিয়ে। ইয়াৰ পৰিপ্ৰেক্ষিতত নগাঁও আৰু গোলাঘাট জিলাত বনভূমিৰ ভালেমান এলেকাত ৰাজ্য চৰকাৰে উচ্ছেদ অভিযান বন্ধ ৰখা বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

০০০০০০০০

অসমত চলি থকা উচ্ছেদ অভিযানৰ নায্যতা পৰীক্ষা কৰিবলৈ বিশেষ সমিতি গঠনৰ বাবে উচ্চতম ন্যায়ালয়ে ৰাজ্য চৰকাৰক নিৰ্দেশ দিছে। উচ্ছেদিত লোকসকলে দাখিল কৰা আবেদনৰ শুনানি গ্ৰহণ কৰি ন্যায়াধীশ পি এছ নৰসিমহা আৰু ন্যায়াধীশ আলোক আৰাধেৰে গঠিত খণ্ড বিচাৰপীঠে কালি ৰাজ্য চৰকাৰক এই নিৰ্দেশ দিয়ে। ৰাজ্যৰ বন আৰু ৰাজহ বিভাগৰ বিষয়াসকলক লৈ এই সমিতি গঠন কৰিবলৈ উচ্চতম ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠে এই নিৰ্দেশ দিয়ে। ৰাজ্য চৰকাৰে সংৰক্ষিত বনাঞ্চলতহে উচ্ছেদ অভিযান চলাব

পাৰিব বুলি ৰায়দানত স্পষ্টকৈ উল্লেখ কৰা হৈছে। উচ্ছেদ অভিযান সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ সংশোধন কৰি উচ্চতম ন্যায়ালয়ে প্ৰথমে বনাঞ্চল চিহ্নিত কৰা আৰু সীমা নিৰ্ধাৰণ কৰাৰ পাছতহে বনাঞ্চল উচ্ছেদ কৰিব পাৰিব বুলি নিৰ্দেশ দিয়ে। বন অধিকাৰ আইনৰ অধীনত বনাঞ্চলত থকা কোনো গাঁও পঞ্চায়তৰ অৱস্থানসমূহ আইনী নে বেআইনী এই সন্দৰ্ভত এই সমিতিয়ে পুংখানুপুংখভাৱে চালিজাৰি চোৱাৰ পাছতহে সিদ্ধান্ত ল'ব পাৰিব বুলি নিৰ্দেশ দিয়ে। উচ্ছেদ অভিযানৰ আগেয়ে এই সমিতিয়ে সংশ্লিষ্ট অঞ্চলৰ লোকসকলক জাননী দিয়াটো বাধ্যতামূলক কৰা হৈছে। উচ্ছেদ অভিযানৰ পূৰ্বে স্থানীয় প্ৰশাসনে অঞ্চলটো খালী কৰিবলৈ কমেও ১৫ দিনৰ সময়সীমা দিয়াটো বাঞ্চনীয় বুলি ন্যায়ালয়ে স্পষ্ট কৰি দিছে। উল্লেখযোগ্য যে নগাঁও, হোজাই আৰু গোলাঘাট জিলাৰ উৰিয়ামঘাট, নেঘেৰী বিল, উদমাৰী, যমুনা গাঁও, ধানচলা, ৰাঙলুবস্তি, ধনশিলা, বৰবিল আৰু গেলাজান আদি সংৰক্ষিত বনাঞ্চলত উচ্ছেদ চলোৱা সন্দৰ্ভত ১৬ জানুৱাৰীত চূড়ান্ত শুনানি গ্ৰহণ কৰা হৈছিল। গুৱাহাটী উচ্চ ন্যায়ালৰ পৰা কোনো সকাহ নোপোৱাত এই লোকসকলে উচ্চতম ন্যায়লয়ত আবেদন জনাইছিল।

০০০০০০০০

কেন্দ্ৰীয় গ্ৰামোন্নয়ন আৰু কৃষি তথা কৃষক কল্যাণ দপ্তৰৰ মন্ত্ৰী শিৱৰাজ সিং চৌহানে ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাজেটখন ঐতিহাসিক আৰু ভৱিষ্যৎমুখী বুলি আখ্যা দিছে। তেওঁ আজি গুৱাহাটীত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত কয় যে এইবাৰৰ বাজেটত অসমসহ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহক বিকাশৰ চালিকা শক্তিৰূপে গঢ়ি তোলাৰ বাবে অভিলেখ পৰিমাণৰ ধন আবণ্টন দিয়া হৈছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে এইবাৰৰ কেন্দ্ৰীয় বাজেট অনুসৰি অসমে কৰ হস্তান্তৰকৰণৰ অংশ হিচাপে ৪৯ হাজাৰ ৭২৫ কোটি টকা লাভ কৰিব আৰু বাজেটত আত্মসমৰ্পণ কৰা আলফা সদস্যসকলৰ পুনৰ সংস্থাপনৰ বাবে ৫০০ কোটি টকাসহ বিশেষ পেকেজৰ ব্যৱস্থা কৰা হৈছে। গুৱাহাটী আৰু ডিব্ৰুগড়ৰ উন্নয়নৰ বাবে বিশেষ পেকেজৰ অধীনত ৫ হাজাৰ কোটি টকা আবণ্টন দিয়া হৈছে বুলি শ্ৰীচৌহানে উল্লেখ কৰে।

কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ অন্য ৰাজ্যসমূহৰ উন্নয়নৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দি অহা অগ্ৰাধিকাৰ অনুসৰি উচ্চ প্ৰযুক্তিগত প্ৰয়োগৰ বাবে অতিকে গুৰুত্বপূৰ্ণ বুলি বিবেচিত বিৰল খনিজ পদাৰ্থৰ বাবে অসমত এটা সুকীয়া কৰিড'ৰ বিকশাই তোলা হ'ব। তেওঁ কয় যে প্ৰধানমন্ত্ৰীয়ে উত্তৰ-পূৰ্বাঞ্চলক দেশৰ উন্নয়ন গাথাৰ চালিকা শক্তিৰূপে গণ্য কৰে আৰু এইবাৰৰ বাজেটত উত্তৰ-পূৰ্বাঞ্চলৰ ৰেল আন্তঃগাঁঠনিৰ উন্নয়নৰ বাবে ১১ হাজাৰ ৪৮৬ কোটি টকা আবণ্টন দিয়া হৈছে। দেশৰ গাওঁ, দুখীয়া খেতিয়ক, যুৱ প্ৰজন্ম আৰু মহিলাসকলৰ কথা বিবেচনা কৰি এইবাৰৰ বাজেট প্ৰস্তুত কৰা হৈছে বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। তেওঁ কয় যে প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত ৰূপায়ন কৰা বিভিন্ন আঁচনিৰ বাবে দেশত দৰিদ্ৰতাৰ হাৰ হ্ৰাস পাইছে। তেওঁ লগতে দুখীয়া জনসাধাৰণক আত্মনিৰ্ভৰশীল কৰি তোলাৰ দিশৰ পৰা বাজেটখনক অতি গুৰুত্বপূৰ্ণ বুলি অভিহিত কৰে। এইবেলি গ্ৰামোন্নয়ন মন্ত্ৰালয়ৰ বাবে বাজেটত ধাৰ্য কৰা ধনৰ পৰিমাণ ২১ শতাংশ বৃদ্ধি কৰা হৈছে বুলি শ্ৰীচৌহানে জানিবলৈ দিয়ে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে গ্ৰামোন্নয়ন আৰু কৃষি বিভাগৰ বাবে বাজেটত যুটীয়াভাৱে ৪ লাখ ৩৫ হাজাৰ ৭৭৯ কোটি টকা ধাৰ্য কৰা হৈছে আৰু ইয়াৰ পৰা গ্ৰাম্যাঞ্চল তথা খেতিয়কসকলৰ প্ৰতি চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতা প্ৰতিফলিত হৈছে। তেওঁ লগতে

গাওঁসমূহক বিকাশৰ চালিকা শক্তিৰূপে গঢ়ি তোলাৰ উদ্দেশ্যে ২ লাখ ৭৩ হাজাৰ ১০৮ কোটি টকা আচুতীয়াকৈ ৰখা হৈছে বুলি জানিবলৈ দিয়ে।

০০০০০০০০

আজিৰে পৰা উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ কলা , বাণিজ্য, বিজ্ঞান আৰু বৃত্তিমুখী শাখাৰ পৰীক্ষাসমূহ অনুষ্ঠিত হ'ব। উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত আটাইকেইটা শাখা মিলি মুঠ ৩ লাখ ৩০ হাজাৰ ৭৪৪ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হ 'ব। ৰাজ্যৰ ৮২১টা পৰীক্ষা কেন্দ্ৰত হ 'বলগীয়া এই পৰীক্ষাত কলা শাখাত ২ লাখ ৪৭ হাজাৰ ৮৬৫ গৰাকী পৰীক্ষাৰ্থী , বিজ্ঞান শাখাত মুঠ ৬১ হাজাৰ ৫৬৮ গৰাকী আৰু বাণিজ্য শাখাত মুঠ ১৯ হাজাৰ ৮০৬ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হ'ব। একেদৰে বৃত্তিমুখী শাখাত এহেজাৰ ৫০৫ গৰাকী পৰীক্ষাৰ্থী অৱৰ্তীণ হ'ব। পৰীক্ষা সমাপ্ত হোৱাৰ পিছতে মুঠ ৪৮টা পৰীক্ষাৰ মূল্যায়ন মণ্ডলত উত্তৰ বহীসমূহ মূল্যায়ন কৰা হ 'ব বুলি ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ সূত্ৰই প্ৰকাশ কৰিছে। উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱা সমূহ পৰীক্ষাৰ্থীকে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগুৱে শুভেচ্ছা জ্ঞাপন কৰিছে।

মাজুলী জিলাত এইবাৰ ৯টা পৰীক্ষা কেন্দ্ৰত মুঠ দুহেজাৰ ১৫০ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছে।

এই পৰীক্ষাৰ পৰিপ্ৰেক্ষিতত বিভিন্ন জিলা প্ৰশাসনে কেতবোৰ নীতি-নিৰ্দেশনা জাৰি কৰিছে। এই অনুসৰি ৰাজহুৱা অনুষ্ঠানসমূহ ক মাইক জাতীয় উচ্চ প্ৰাবল্যৰ শব্দ যন্ত্ৰ ব্যৱহাৰ নকৰাকৈ অনুষ্ঠানৰ আয়োজন কৰি পৰীক্ষাৰ্থীসকলক সহায় কৰিবলৈ ৰাইজক আহ্বান জনোৱা হৈছে।

ইপিনে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধীনত কালিৰে পৰা ৰাজ্যৰ এহেজাৰ ৪৬টা পৰীক্ষা কেন্দ্ৰত হাইস্কুল শিক্ষান্ত পৰীক্ষা অনুষ্ঠিত হৈছে। ইয়াৰ ভিতৰত ১ লাখ ৯০ হাজাৰ দুশ ৪৩ গৰাকী ছাত্ৰ আৰু ২ লাখ ৪৮ হেজাৰ ৩২২ গৰাকী ছাত্ৰী সামৰি মুঠ ৪ লাখ ৩৮ হাজাৰ ৫৬৫ গৰাকী পৰিক্ষাৰ্থী অৱতীৰ্ণ হৈছে। হাইস্কুল শিক্ষান্ত পৰীক্ষা ৰ ব্যৱহাৰিক পৰীক্ষা ইতিমধ্যে সমাপ্ত হৈছে। কালি আৰম্ভ হোৱা পৰীক্ষা অহা ২৭ ফেব্ৰুৱাৰীত অন্ত পৰিব।

০০০০০০০

ডিব্ৰুগড় বিশ্ববিদ্যালয়ত প্ৰথমবাৰৰ বাবে কালিৰেপৰা সাদিনীয়াকৈ নাহৰ গ্ৰন্থ মহোৎসৱ অনুষ্ঠিত হৈছে। বিশিষ্ট সাংবাদিক, ঔপন্যাসিক তথা বিশ্ববিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰী অনুৰাধা শৰ্মাৰ পুজাৰীয়ে এই গ্ৰন্থ মহোৎসৱ উদ্বোধন কৰে। বিশ্ববিদ্যালয়খনৰ সদৌ অসম ছাত্ৰ সন্থা গোট আৰু স্নাতকোত্তৰ মহলা ছাত্ৰ একতা সভাৰ উদ্যোগত তথা বৰপথাৰবাসীৰ সহযোগত এই মহোৎসৱ অনুষ্ঠিত হৈছে। অনুষ্ঠানত দিয়া ভাষণত

সাহিত্যিক- সাংবাদিকগৰাকীয়ে এটা সু-সভ্য জাতি হ'বলৈ কিতাপেই একমাত্ৰ আশ্ৰয় বুলি মন্তব্য কৰে। তেওঁ বিশ্ববিদ্যালয়ৰ শ্ৰেণী কোঠাৰ পৰাই গ্ৰন্থ অধ্যয়নৰ পৰিৱেশ গঢ়ি তুলিবলৈ আহ্বান জনায়। উদ্বোধনী অনুষ্ঠানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ড° জীতেন হাজৰিকা, পঞ্জীয়ক ড° পৰমানন্দ সোণোৱালকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। ১৬ ফেব্ৰুৱাৰীলৈ চলিবলগীয়া এই গ্ৰন্থ মহোৎসৱত ৰাজ্যৰ কেইবাটাও প্ৰকাশন আৰু বিক্ৰেতা সংস্থাই অংশগ্ৰহণ কৰিছে।

0000000

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে অহা ১৪ ফেব্ৰুৱাৰী শনিবাৰে নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাত অনুষ্ঠানত ভাৰতীয় সাংস্কৃতিক গৱেষণা পৰিষদ চমুকৈ আই চি চি আৰৰ শ্ৰীলংকাৰ কলম্বো কাৰ্যালয়ৰ প্ৰাক্তন সঞ্চালক তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ যোগাযোগ আৰু সাংবাদিকতা বিভাগৰ অধ্যাপক ড° অংকুৰণ দত্তৰ সৈতে এটা সাক্ষাৎকাৰ প্ৰচাৰ কৰিব। সাক্ষাৎ গ্ৰহণ আৰু অনুষ্ঠানটোৰ প্ৰযোজনা আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি গুৱাহাটীৰ বোন্দাৰ অসম ৰাজ্যিক পাঠ্যপুথি নিগমৰ কেন্দ্ৰীয় ভঁৰাল চৌহদৰ পৰা বিদ্যালয়সমূহলৈ ২০২৬-২৭ বৰ্ষৰ বাবে বিনামূলীয়া পাঠ্যপুথি বিতৰণৰ শুভাৰম্ভ কৰে। ৯ টা মাধ্যম আৰু ১৯ টা ভাষা সামৰি এইবাৰ প্ৰকাশ কৰা ৩ কোটি ৪২ লাখ পাঠ্যপুথিৰ দ্বাৰা ৰাজ্যৰ ৪৯ লাখ ৮৪ হাজাৰ শিক্ষাৰ্থী উপকৃত হ'ব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছে। অনুষ্ঠানত দিয়া ভাষণত ডাঃ পেগুৱে পাঠ্যপুথিসমূহ বিতৰণ প্ৰক্ৰিয়াত বিভাগীয় বিষয়াসকলক চোকা দৃষ্টি ৰাখিবলৈ আহ্বান জনায়। তেওঁ কয়, যে শিক্ষাৰ অধিকাৰ আইনৰ অধীনত প্ৰাথমিক পৰ্যায়ৰ পৰা অষ্টম শ্ৰেণী পৰ্যন্ত বিনামূলীয়া পাঠ্যপুথি যোগানৰ ব্যৱস্থা চলি আহিছিল যদিও বৰ্তমান চৰকাৰে শিক্ষাৰ্থীসকলৰ শিক্ষা গ্ৰহণৰ পথ অধিক সুচল কৰাৰ বাবে মাধ্যমিক পৰ্যায়লৈকে বিনামূলীয়া পাঠ্যপুথি যোগানৰ ব্যৱস্থা কৰিছে। ইয়াৰ ফলত শিক্ষাৰ্থীসকলৰ সহায় হোৱাৰ লগতে ৰাজ্যৰ সামগ্ৰিক শিক্ষাৰ মান উন্নীত হ'ব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। কালিৰ অনুষ্ঠানত অসম ৰাজ্যিক পাঠ্যপুথি নিগমৰ অধ্যক্ষ দেৱানন্দ হাজৰিকাকে ধৰি কেইবাগৰাকী ব্যক্তি উপস্থিত থাকে।

0000000

**সমাপ্ত**